# লোক সমাজত নিচুকনি গীত

পল্লৱী ৰাভা
স্নাতক পঞ্চম যান্মাসিক

মাকৰ গাখীৰ অমৃতৰ দৰে। মাতৃয়ে শিশুক তুলি তালি ডাঙৰ কৰে। মৰম কৰে। খঙত মাৰে। টোপনি নিয়াবলৈ নানা উপায় গ্ৰহণ কৰে। তাৰ ভিতৰত সাধুকথা, নিচুকনি গীত আদি। ঠায়ে ঠায়ে এই নিচুকনি গীতৰ নাম বেলেগ বেলেগ। দৰঙত ঘুমটি নিয়া গীত, নলবাৰী কামৰূপত চলি ভূৰকোৰা গান, গোৱালপাৰাত ছাৱা গীত বোলে। ধনী শ্ৰেণীয়ে শিশু পৰিচাৰ্য্যৰ বাবে একোগৰাকী তিৰোতা ৰাখে। তেওঁলোকক ধাই বোলে। তেওঁলোকে গোৱা গীতক ধাইগীত বোলে। ধাইয়ে গীত গাই গাই শিশুক টোপনি নিয়ায়। এই ধাই গীত অসমত অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহিছে।

তদুপৰি শ্ৰীধৰ কন্দলীয়ে লিখা 'কাণখোৱা' পুথিখনত যশোৱাই কাণাইক এইদৰে টোপনি নিয়াবলৈ যত্ন কৰিছে-

"ঘুমটি যাইয়োৰে অ'ৰে কানাই কৰে কাণখোৱা আসে,  
সকল শিশুৰ কাণ খাই খাই আসয় তোমাৰ পাসে।"

শিশুটোৱে কান্দিলে টোপনি নিয়াবলৈ এনেদৰে গোৱা হয়-

আমাৰে মইনা শুব এ বাৰীতে বগৰী ৰুব এ  
বাৰীৰে বগৰী পকি সৰি যাব আমাৰে মইনাই বুটলি খাব।

শিশুক ভয় খুৱাই টোপনি নিয়াবলে বৰ ভাল। সেয়েহে গোৱা হয়-

শিয়ালী এ নাহিবি ৰাতি তোৰে কাণ কাতি জ্বলামে বাতি  
শিয়ালীৰ মূৰতে মৰুৱা ফুল শিয়ালী পালেগৈ ৰতনপুৰ।♥

# প্ৰাৰ্থনা এক শক্তি

হীৰামণি দেৱী
স্নাতক পঞ্চম ষান্মাসিক

জীৱনৰ সকলো সময়তে সকলো সমানে শক্তিশালী হৈ নাথাকে। সময়ে মানুহৰ জীৱনত নিজৰ অলেখ ৰং দেখুৱাই যায়। সুখৰ দৰে দুখো মানুহে আঁচল পাতি ল'ব লাগে। কিন্তু হয়তো এনে মুহূৰ্তও মানুহৰ জীৱনৰ অংশ। য'ত মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন এক হৈ পৰে। আৰু তাতে আবিৰ্ভাৱ হয় প্ৰাৰ্থনাৰ। প্ৰাৰ্থনাই মনলৈ প্ৰশান্তি আনে। অলপ সময় নিজৰ সমস্ত ব্যস্ততা দলিয়াই দুচকু মুদি, দুহাত যোৰ কৰি মানুহ প্ৰাৰ্থনাৰত হয়। আৰু হয়তো এটা অৱলম্বন লাগে বাবে মানুহে 'নেদেখাজন'কেই প্ৰাৰ্থনা কৰে। ধৰ্মশাস্ত্ৰৰ মন্ত্ৰ অথবা ধৰ্মীয় নিয়মৰ গণ্ডীত থাকিও প্ৰাৰ্থনাই মানুহক পৰম শক্তি যোগায়। যদিও প্ৰাৰ্থনাৰ অভিধানিক অৰ্থ খোজা বা বিচৰা হ'লেও ই যেন আধৰুৱা হৈ ৰয়। কেৱল কিবা খুজিবলৈকে মানুহ নিশ্চয় প্ৰাৰ্থনাৰত নহয়। প্ৰাৰ্থনাৰ স'তে যি অতি ঘনিষ্ঠ তেওঁহে অনুভৱ কৰিব পাৰে প্ৰাৰ্থনা মানে কেৱল বিচৰা নহয়। প্ৰাৰ্থনা এক শক্তি, প্ৰাৰ্থনা এক সত্তা, প্ৰাৰ্থনা মনৰ ভিতৰৰ সম্পদ। প্ৰাৰ্থনাই আমাৰ মন শান্ত কৰে। দুচকু মুদি আমি বিচৰণ কৰিব পাৰো এখন অচিনাকি জগতত। নিৰলে খন্তেক বহি নিজৰ সৈতে কথা পাতিব পৰা অনন্য মাধ্যমেই হ'ল প্ৰাৰ্থনা। ল'ৰালিৰ সেই 'তুমি চিত্ত.....' প্ৰাৰ্থনাৰ একো অৰ্থ নজনাকৈ কণ্ঠস্থ কৰা সেই সুৰ যে আমাৰ জীৱনজুৰি বহি ৰ'ল। সেয়াও এক শক্তি। এই যে চৌপাশে থকা সকলোৰে উপস্থিতি পাহৰি এক মুহূৰ্তৰ বাবে ক'ৰবাত বিলীন হৈ যাওঁ, সেয়া শক্তি নহয়নো কি? ♥

## মহৎ লোকৰ বাণী

*ভগৱান মন্দিৰতো নাথাকে*
*মছজিদতো নাথাকে*
*থাকে মানুহৰ অন্তৰত*

— মহাত্মা গান্ধী

*নজনাটো সিমানে ডাঙৰ কথা নহয়;*
*কিন্তু জানিবলৈ ইচ্ছা নকৰাটোহে*
*লাজৰ কথা।*

— বেঞ্জামিন ফ্ৰেংকলিন

# জ্যোতিৰ জ্যোতি, ৰাভাৰ আভা আৰু সুধাকণ্ঠৰ মানৱতাৰে আকৌ দীপ্তমান হওঁক...

ড° প্ৰাণেশ্বৰ নাথ
প্ৰবক্তা

"যাৰ মাতে গানে
হাঁহিয়ে ফুলাব সৰগী ফুল
মানুহৰ হৃদয়ে হৃদয়ে
পৃথিৱীৰ ঘৰে ঘৰে ভিতৰে বাহিৰে...।"

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা (১৯০৩-১৯৫১) আছিল বিপ্লৱী মনীষাৰ প্ৰতীক। তেওঁ বিপ্লৱৰ গঠনমুখী আৰু প্ৰগতিশীল ভূমিকাত গভীৰভাৱে বিশ্বাস কৰিছিল আৰু গাইছিল— "তোৰ আন্ধাৰক নাশিবলৈ তোৰ বুকুতেই বিপ্লৱী হৈ জাগিব।" অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত জ্যোতিপ্ৰসাদে মহান বিপ্লৱী শিল্পীৰ ভূমিকা গ্ৰহণ কৰি গৈছে। এক কথা ক'বলৈ হ'লে জ্যোতিপ্ৰসাদৰ প্ৰতিভা আছিল বৰ্ণাঢ্য আৰু উন্মেষশালিনী। তেওঁৰ শিল্পাদৰ্শ হ'ল "জীৱন কলাক ধুনীয়া কৰি, মানুহকেই মানুহ কৰি থৈ যাবলৈ বাস্তৱৰেই কেন্দ্ৰস্থলীত লৈছো স্থিতি।"

নৰনাৰায়ণৰূপী জনতাক ছলাহী কথাৰে ভুলাই আত্মস্বাৰ্থ পূৰণ কৰা তথাকথিত নেতাসকলৰ প্ৰতিও ভ্ৰূকুটিপূৰ্ণ সাৱধানবাণী কবিয়ে শুনাই গৈছে—

"ৰাষ্ট্ৰনীতিৰ , সমাজনীতিৰ, ৰাজনীতিৰ, অৰ্থনীতিৰ তোৰ,
থৈ দে ফোপোলা জ্ঞান,
জনতাপূজাৰ ভাও দি ভাও দি
নেদেখুৱাবি ঘৃণিত তোৰ অহংকাৰৰ নেতৃত্বাভিমান,
জনতাই তোৰ স্বৰূপ চিনিছে
সাৱধান, সাৱধান।"

গোষ্ঠীগত, সম্প্ৰদায়গত বিভাজন জয় কৰি কবিয়ে নিজতে চিৰপ্ৰবাহিনী অসমীয়া তথা ভাৰতীয় সত্তাৰ লগত একাত্ম বুলি ঘোষণা কৰিছে ঃ

"ময়েই হিন্দু
ময়েই মুছলমান
ময়েই ন-জোৱান
মোৰ ভগৱান মন্দিৰে-মছজিদে
ভগৱান মোৰ নামঘৰে ঘৰে
অন্তৰে বাহিৰে...(অসমীয়া ডেকাৰ উক্তি)

কবিৰ কবিতাত গভীৰ স্বদেশানুৰাগ আৰু দেশাত্মবোধ প্ৰকাশ পাইছে। কবিয়ে আশাবাদী সুৰেৰে গাইছে ঃ

"মানুহ ফুলিব লাগিব বিকশি
কৰিব লাগিব বিশ্বখনকে স্বৰ্গীয় সুৰভিময়
জয় হওঁক পোহৰৰ, জয় হওঁক মানৱৰ মহত্বৰ-আদৰ্শৰ জয়।"

* * * * * * * * * *

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা (১৯০৯-১৯৬৯)ৰ ব্যক্তিত্ব বহুধাবিভক্ত। সঙ্গীত-কলাৰ বিভিন্ন দিশৰ চৰ্চাকাৰী হোৱাৰ উপৰিও তেওঁ আছিল ভাল খেলুৱৈ, চিত্ৰশিল্পী, বিপ্লৱী, অভিনেতা, সুবক্তা আৰু নৃত্যশিল্পী।

বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল- "এই অসমীয়া কৃষ্টি-সংস্কৃতি ব্ৰহ্মপুত্ৰৰ দৰেই বিশাল, গভীৰ। যেনেকৈ কোনো দুৰ্বাৰ শক্তিয়ে বিশাল, গভীৰ

ব্ৰহ্মপুত্ৰক ভেটা দি হেঙাৰ দিব নোৱাৰে; বিশাল, গভীৰ অসমীয়া সংস্কৃৰি কোবাল সোঁতকো কোনো চক্ৰান্তকাৰীৰ চক্ৰান্ত আৰু ষড়যন্ত্ৰই ৰোধিব নোৱাৰে। কালৰ ৰথৰ চকাৰ দৰেই ই আগুৱাই গৈ থাকিব। ... গতিকে কালৰ ৰথৰ চকাৰ অগ্ৰগতিয়ে হৈছে প্ৰগতি।" এখন শোষণহীন, নিষ্পেষণহীন সম অধিকাৰ থকা সমাজ গঢ়াৰ পৰিকল্পনা ৰাইজলৈ আগবঢ়ালে —

"শোষণ ৰাজ্য হওঁক নিপাত
একতাই হ'ব অস্ত্ৰ তোমাৰ
শত্ৰু হ'ব নিপাত
গঢ়িব লাগিব আজি যে তুমি
পঞ্চায়তীৰাজ...।"

বৰ অসমৰ সকলো (জনগণ) একত্ৰিত হ'ব লাগিব বুলি কৈ ৰাভাই গালে-

"জাগিব লাগিব তই কছাৰী মিকিৰ
খাচী ৰাভা গাৰো মিৰি কুটী নগাবীৰ
খামটি মিচিমি আৰৰ লালুং লুচাই

---

তিপৰা ডিমাছা অকা দখলা ককাই
চুতীয়া দেউৰী টোটোলা কোঁচ হাজং কছাৰী..."

**সুধাকণ্ঠৰ মানৱতা ঃ**

'If man wouldn't think for man
with a little sympathy
Tel me who will_ cowrade ?
If man does not become man
A demon never will
If a devon turns human
whom shall it shame more - cowrade ?'

বিগত শতিকাৰ অসমৰ বহুমুখী প্ৰতিভাধৰ ব্যক্তি সমুদায়ৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় ব্যক্তি — ড° ভূপেন হাজৰিকা। ১৯২৬ চনৰ ৮ ছেপ্তেম্বৰৰ পৰা ২০১১ চনৰ ৫ নৱেম্বৰলৈ ভূপেন হাজৰিকাৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমা।

বস্তুতঃ ভূপেন হাজৰিকা হ'ল বৰ্তমান সময়ৰ অন্যতম শ্ৰেষ্ঠ মানৱতাবাদী পুৰুষ, সংগীত আকাশৰ সূৰ্য্য, জীৱন্ত কিংবদন্তি, এগৰাকী যুগজয়ী বিশ্বশিল্পী। তেওঁৰ গীতত যিদৰে অসম তথা ভাৰতীয় সাতামপুৰুষীয়া সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু দলিত-আৰ্তজনৰ মৰ্মবেদনা প্ৰকাশ পাইছে, সেইদৰে তেওঁৰ গীতত অসমীয়া জাতিসত্তাৰ স্বৰূপ প্ৰকাশ, জাতীয় চেতনা, জাতীয় প্ৰেম, স্বদেশ প্ৰেম আৰু বিশ্বজনীন মানৱপ্ৰেমৰ অন্তঃসলিলা ফল্গুধাৰা নিৰৱচ্ছিন্নভাৱে প্ৰবাহিত হৈছে।

ভূপেন হাজৰিকাৰ মানৱপ্ৰেম দেশ-কালৰ সীমাৰ গণ্ডীত আৱদ্ধ নহয়। দেশ-কালৰ সীমা অতিক্ৰমি তেওঁৰ মানৱতাবোধ বিশ্বজনীন হৈ উঠিছে- য'ত জাতি-বৰ্ণ-ধৰ্ম, দেশ-কাল একাকাৰ হৈ গৈছে। এখনেই মুকলি আকাশৰ তলত বাস কৰা বাসিন্দা হিচাপে, এখন পৃথিৱীৰেই অধিবাসী হিচাপে বিশ্বৰ সকলো মানুহেই মানুহৰ আপোন। সেই মানুহৰেই মহাসন্মিলন হাজৰিকাই কামনা কৰিছে। ইয়েই মানৱতাবাদী দৰ্শন। দানৱৰ সমাজতো মানৱৰ গীত গাই গাই ধৰাৰ দিহিঙে-দিপাঙে আজীৱন লৰৰি ফুৰা ভূপেন হাজৰিকাৰ দৃষ্টিত - "হাইড্ৰ'জেন দুভাগ আৰু অক্সিজেন এভাগ লৈ সকলো দেশতে পানীৰ সৃষ্টি হয়। নিউইয়ৰ্ক, মস্কো বা পেৰিছ, হেলছিংকি, শিৱসাগৰ বা বেলজিয়াম- য'লৈকে গৈছোঁ- মানুহ মানুহ। একেই ধাতুৰে তৈয়াৰী।" সেইকাৰণেই, তেওঁৰ গীতৰ ভাষাত শুনিবলৈ পোৱা যায় মানৱ প্ৰাণৰ সুক্ষ্মাতিসুক্ষ্ম আৱেগ-অনুভূতি আৰু সুখ-দুখৰ সুৰ। এটি গীতত তেওঁ কৈছে—

"ভাষা নুবুজিও যুগে যুগে আহে
মানুহ মানুহৰ পিনে
মৰমৰ ভাষাৰে আখৰ নাইকিয়া
বুজিব খুজিলেই চিনে।"

মানৱপ্ৰেমত আকণ্ঠ ডুব গৈ থকা ড° হাজৰিকাই নতুন অসম, নতুন ভাৰ, গঢ়িব খুজিছে সম্পূৰ্ণ মানৱতাবাদী দৃষ্টিভংগীৰে—

"হৰিজন, পাহাৰি, হিন্দু-মুছলিমৰ
বড়ো, কোঁচ, চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।"

তদুপৰি ওৰে জীৱন তেওঁ অসমৰ বৰ্তমান আৰু ভৱিষ্যতক লৈ চিন্তিত হৈছিল—

"নানা জাতি-উপজাতি, ৰহনীয়া কৃষ্টি, আঁকোৱালী লৈ হৈছিল সৃষ্টি, এই মোৰ অসম দেশ, বিভেদ পৰিহৰি নিজহাতে শ্ৰম কৰি, দেশক নগঢ়িলে এই দেশ হ'ব নিঃশেষ আৰু মনবোৰো ভাগি-ছিগি যাব, আজিৰ অসমীয়াই নিজক নবচালে, অসমতে মগনীয়া হ'ব।"

তেওঁৰ গীতত নিহিত হৈ আছে- মানুহৰ মাজত বিৰাজ কৰি থকা সকলোধৰণৰ ভেদাভেদৰ প্ৰাচীৰ ভাঙি দি, সাম্যৰ সৰগৰূপী এখনি সমাজ গঢ়াৰ এক সুন্দৰ সপোন- আৰু আছে নৰকংকালৰ অস্ত্ৰ সাজি লৈ, শোষণৰূপী দানৱহঁতক বধ কৰি, সৰ্বহাৰা মানুহৰ সৰ্বস্ব ফিৰাই অনাৰ এক সুদৃঢ় সংকল্প। তেওঁৰ গানৰ লক্ষ্য সম্পৰ্কেও তেওঁ গীতেৰেই কৈছে—

"ধ্বংসমুখী দৃষ্টিভংগী কিম্বা মনোমালিন্য
সেয়া নহয় মোৰ গানৰ লক্ষ্য
লক্ষ্য শান্তি অনন্য।"

উল্লেখ্য যে আনক আঘাত দি নিজে আত্মপ্ৰসাদ লাভ কৰা ঈৰ্ষাকাতৰ লোকৰ ধ্বংসাত্মক সমালোচনাক শিল্পীগৰাকীয়ে কোনোদিনেই বৰ বেছি গুৰুত্ব দিয়া নাই। তেওঁ গীতৰ ভাষাৰেই কৈছে-

"নৱ নৱ সৃষ্টিক দৈত্য-দানৱে কৰে
নিষ্ঠুৰ আঘাত অবিশ্ৰান্ত
সেয়েহে মনৰ মোৰ প্ৰশান্ত সাগৰৰ
উৰ্ম্মিমালা অশান্ত... সাৰ সঙ্গমত
সেই সংঘাতে আনে মোৰ
প্ৰশান্ত সাগৰত প্ৰগতিৰ নতুন দিগন্ত।"

সত্য, শিৱ, সুন্দৰৰ সাধনাৰে আগুৱাই গৈ সমগ্ৰ মানৱৰ মঙ্গল আৰু শান্তিৰ সুদৃঢ় ভেটি গঢ়াৰ সপোন দেখিলে। আৰু গীতেৰে গাইছে—

"যিমান পাৰা হোৱা অগ্ৰগামী
নৰ'বা কিঞ্চিত কোনো লাভ নাই
ধ্বংসকাৰীক পৰাস্ত কৰা
শান্তি যুঁজৰ কোনো ক্ষয় নাই
............................................"

জ্যোতি-বিষ্ণু-সুধাকণ্ঠৰ এই অমৰ বাণীৰে আমি আমাৰ সমাজ জীৱন দীপ্তমান কৰি তুলিব লাগিব। এই শুভ প্ৰয়াসৰ পথ প্ৰশস্ত হওঁক—ইয়াকেই কামনা কৰিছো।। "Before you can change your life, you must first change your thinking."♥

---

## জানিবলগীয়া

*ভাকুট-কুটাই দিলে আমাৰ হাঁহি উঠে কিয়*

*?*

*ঃ আমাৰ শৰীৰৰ কিছুমান মাংসপেশী লৰচৰ হ'লেই হাঁহি উঠে। ভাকুট-কুটাই দিলে সেইবোৰ মাংসপেশী লৰচৰ হয় কাৰণেই আমাৰ হাঁহি উঠে*

# কলেজৰ প্ৰথম খোজলৈ এভুমুকি

মানৱ কলিতা
স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান শাখা

৩ এপ্ৰিল ২০১৩, সেইদিনা আছিল কলেজীয়া জীৱনৰ শেষ পৰীক্ষা। পৰীক্ষা শেষ হোৱাৰ পিছত এফালে আনন্দ, কিন্তু আনফালে যেন কিবা বস্তু এটাই বুকুত হেচি ধৰিছে। হয়তো মোৰ দৰে দুখীয়া ঘৰৰ ল'ৰাৰ বাবে এইটোৱেই শেষৰটো আনুষ্ঠানিক পৰীক্ষা। লগে লগে মনত পৰিছিল কলেজৰ সেই প্ৰথম দিনটোৰ কথা।

১ এপ্ৰিল ২০০৭। সেইদিনা ৰাতিপুৱা আনদিনাতকৈ অলপ সোনকালে সাৰ পাই উঠিলো। পঢ়িবলৈ বহাৰ মন নাই, কাৰণ সেইদিনা প্ৰথমবাৰৰ বাবে কলেজলৈ যাম। তথাপি মাৰ গালি শুনিব নোৱাৰি ১৫ মিনিটমান বহিলো যদিও কোনো কথাতে মন দিব নোৱাৰিলো। বহু অপেক্ষাৰ অন্তত ৮ বাজিল। খৰধৰকৈ গা ধুই আহিলো। হাত ভৰিৰ নখবোৰ চাফা কৰিব ধৰিলো। তেনেতে মায়ে ভাত খাব মাতিলে। সেইদিনা ভাতকেইটা পেটলৈ নাযায় হে নাযায়, তথাপি জোৰ কৰি কেইটামান খালো।

লংপেন্ট, চাৰ্ট, বেগ, চেণ্ডেল, সকলো নতুন, যেন ওপজা প্ৰথম দিনটোহে। সকলো নতুন, মাথো চাইকেলখন হে পুৰণি। বন্ধুবৰ্গৰ লগত আলোচনা কৰি গাড়ীত যোৱাটোকে থিক কৰিলো। চাইকেলখন টাউনত থৈ গাড়ীত উঠিলো। গাড়ীৰ পৰা নামি এবুকু সপোন লৈ কলেজৰ গেটত খোজ দিয়াৰ লগে লগে যেন ভয়, উৎকণ্ঠা, লাজ সকলোবোৰে হেচি ধৰিছে আৰু মোৰ গাটো ক্ৰমশ জঠৰ হৈ গৈছে। লগৰ কেইটা কলা শাখাত নামভৰ্তি কৰিছিল। সিহঁত ক্লাছ কৰিবলৈ যোৱাত মই অকলশৰীয়া হ'লো। সম্পৰ্কীয় বাইদেউ এজনীয়ে ক্লাছৰুমবোৰ দেখুৱাই দিলে। সেইমতে গ'লো ক্লাছ কৰিব। তাত গৈ হাইস্কুলৰ দুজন বন্ধুক দেখিহে ভাল লাগিল।

সেইটো আছিল কেমেষ্ট্ৰিৰ ক্লাছ। জে. পি. ছাৰক লগ পাই এক প্ৰকাৰ প্ৰেমত পৰাদি পৰিলো ছাৰৰ কথাবোৰত। ক্লাছ শেষ কৰি পিছৰ ক্লাছটোলৈ যোৱাৰ আগে আগে কলেজখন চাওঁ বুলি খোজ ললো। আমি চাৰিজন, ৰিতুপৰ্ণ, মনোমোহন, অংকু আৰু মই আহি থাকোতে অডিট'ৰিয়ামটো পাৰ হৈ ছাত্ৰ জিৰণি কোঠাটো পাম আৰু তেনেতে হঠাৎ 'ভাইটি এইফালে আহা' বুলি কোনোবাই মতা যেন শুনিলো। ঘূৰি চাই দেখিলো এজনী বগা, ওখ, অলপ বেছি কথা কোৱা ছোৱালীয়ে ছাত্ৰ জিৰণি কোঠাৰ বাৰান্দাৰপৰা মোক মাতিছে। হয়তো দেখাত সৰু বাবেই মোক মাতিছিল। ভয়ে ভয়ে মই কোনোমতে বাৰান্দাত উঠিছো মাত্ৰ, লগে লগে ১৫ জনীমান ছোৱালীয়ে চাৰিওফালে থিয় হৈ মোক মাজত চকী এখনত বহুৱাই ল'লে। তেনেতে ল'ৰা এজন আহি মোক চিনাকিটো দিবলৈ ক'লে। চিনাকি পৰ্ব শেষ হোৱাৰ পিছত ল'ৰাজনে ক'লে যে- ইয়াত উপস্থিত থকা ছোৱালীবোৰৰ মাজৰ এজনীক ভালপাওঁ বুলি ক'ব লাগে, নকলে কিন্তু বিপদ হ'ব। মোৰ গোটেই মুখখন ৰঙা পৰি, ঘামি গৈছে ভয়ত, লাজত। শেষত উপাই নাপাই কৈ দিলো এজনীক, "মই তোমাক ভালপাওঁ" বুলি। তাইও লগে লগে ক'লে "ময়ো তোমাক বহুত ভালপাওঁ" বুলি, পিছত ছোৱালীজনীৰ নামটো গম পালো, নন্দিতা, এতিয়া হয়তো বিয়া হৈছে। লগে লগে সেই ছোৱালী জাকৰ মাজৰ পৰা ওলাই দৌৰি গৈ বন্ধুকেইজনক লগ ধৰিলো।

এফালে ভয় উৎকণ্ঠাৰ মাজতে সেইদিনা আছিল মোৰ জীৱনৰ আন এটা বৰ দুখৰ দিন। হাইস্কুলত এজনী ছোৱালীৰ প্ৰেমত পৰিছিলো। তাইক সেই বিষয়ে একো কোৱা নাছিলো যদিও তাই জানিছিল সেই বিষয়ে। তাই কলা শাখাত নামভৰ্তি কৰিছে এইখন কলেজতে। কেমেষ্ট্ৰি ক্লাছটো কৰি আহি তাইক বিচাৰিলো, বিচাৰি পালো যদিও মাতিবলৈ সাহস নহ'ল। তেনেতে ফিজিক্সৰ ক্লাছৰ সময় হ'ল। ফিজিক্সৰ ক্লাছত ৰণজিৎ ছাৰক লগ পালো। ছাৰক লগ পাই ফিজিক্সৰ কথাবোৰ শুনি

এনে লাগিল, যেন মোৰ সপোনবোৰ পূৰণ হ'বলৈ আৰু বেছি দিন নাই। ক্লাছৰুমৰ পৰা ওলাই আহি আকৌ তাইক বিচাৰিলো। শেষত বিচাৰি পালো যদিও মাতিব নোৱাৰিলো। সেই সময়তে হাইস্কুলৰ সহপাঠী এজনক লগ পায় কলো, "তই তাইক মাত্ৰ এটা কথা সুধি আহ, যে তাই মোৰ লগত কথা পতিবনে নাপাতে?" সি ক'লে- "দহ টকা দিলেহে সুধিম।" প্ৰথম কলেজলৈ অহা বাবে মায়ে দহটকা এটা দিছিল, সেইটোকে তাক দিলো আৰু সি সুধিব গ'ল। সুধি আহি সি মোক ক'লে যে- তাই মোৰ লগত কথা পাতিব নিবিচাৰে আৰু কোনো ধৰণৰ সম্পৰ্ক ৰাখিব নিবিচাৰে। তাইক যাতে ভৱিষ্যতে মই কেতিয়াও নামাতো। কথাখিনি শুনি এনে লাগিল যেন কোনোবাই মোৰ বুকুত কোবাই থৈ গ'ল আৰু মোৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। সেইদিনাৰ পৰা আজিলৈকে তাইক আৰু নামাতিলো। এতিয়াও মাজে মাজে তাইৰ বাবে ৰাতি উজাগৰে কটাওঁ।

লগৰ কেইজনৰ লগত জুৱলজি (Zoology)ৰ ক্লাছ কৰিবলৈ গৈ সুশান্ত ছাৰক লগ পালো। লগ পাই ভাবিলো এজন মানুহ ইমান ব্যক্তিত্বৰ গৰাকী কেনেকৈ হ'ব পাৰে। সুশান্ত ছাৰ সঁচাকৈয়ে অতুলনীয় ব্যক্তিত্বৰ গৰাকী, যাৰ খং যিমান ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মৰমো আছে সিমান। ক্লাছ শেষ কৰি আহি গণিতৰ ক্লাছত সোমালো আৰু ধীৰাজ ছাৰক লগ পালো। সুশান্ত ছাৰৰ দৰে ব্যক্তিত্বৰ গৰাকী ধীৰাজ ছাৰো, যাৰ সাজ-পোচাক, খোজকঢ়াৰ ভংগিমা, কথা কোৱাৰ গভীৰতা হয়তো কলেজত দ্বিতীয়জনৰ নাই। এদিন দুদিনকৈ ছায়েন্সৰ ছাৰ সকলৰ লগত চিনাকি হৈ খুব ভাল লাগিল। বহুত মৰমীয়াল ছায়েন্সৰ ছাৰবোৰ।

এনেকৈয়ে পাৰ হয় প্ৰথমটো বছৰ। পৰীক্ষা দিলো। পাছ কৰিলো। দ্বিতীয় বছৰটোৰ ক্লাছ আৰম্ভ হ'ল। দ্বিতীয় বৰ্ষটোত কেৱল ক্লাছ, ক্লাছ আৰু প্ৰেক্‌টিকেল। এনেকৈয়ে পৰীক্ষা আহি পালে। লগৰ বহুতে পৰীক্ষা নিদিলে, আমি কেইজনমানে পৰীক্ষা দিলো। পৰীক্ষা ভালেই হ'ল, কিন্তু এডমিছন হে ল'ব নোৱাৰিলো। দ্বিতীয় বৰ্ষৰ প্ৰথম পৰীক্ষা ফিজিক্সৰ দিনা টিটেনম্বৰ মতে বহিলো পিছফালে। প্ৰায় আধা ঘণ্টামান পিছত কলাশাখাৰ বাইদেউ এজনীয়ে মোক উঠাই নি আগত বহুৱাই দিলে। ফলত অতিৰিক্ত ছাৰ জনে মোৰ ফালে একেথৰে বহু সময় চাই আছিল, যিখিনি সময়ত মই এটা শব্দও লিখিব নোৱাৰিলো। মোৰ মুৰটোৱে কাম নকৰা হৈ গৈছিল আৰু অলপ সময় পিছত শুছি আহিছিলো পৰীক্ষা হ'লৰ পৰা। সেই পৰীক্ষাটোত মই দুই নম্বৰ কম পালো, ফলত ডিগ্ৰীত এড্‌মিছন ল'ব নোৱাৰিলো। আকৌ বেটাৰমেন দিব লগা হ'ল। যদি সেই বাইদেউজনীয়ে মোক সেইদিনা উঠাই নানে, আজি মই এক বছৰ আগুৱাই গলোহেতেন।

পিছৰ বছৰ বেটাৰমেন দিলো আৰু নিজকে বহুখিনি প্ৰমাণ কৰিবলৈও সক্ষম হৈছিলো। উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ পাছ কৰাৰ পিছত পুনৰ মৰমৰ কলেজখনত স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিলো। এদিন দুদিনকৈ ক্লাছ কৰি, পৰীক্ষা দি দ্বিতীয় বৰ্ষ পালো। স্নাতক দ্বিতীয় বৰ্ষটো হ'ল মোৰ জীৱনৰ অন্য এক পৃষ্ঠা। এই বছৰত কলেজীয়া জীৱনৰ অন্য এক সোৱাদ পালো, যিয়ে মোৰ সকলো আবেগ, অনুভূতি চুই গৈছিল। সেইটো আছিল কলেজৰ নিৰ্বাচন। এক ভাবিব নোৱাৰা অভিজ্ঞতা, যিটো আন ক'তো পোৱা নাযায়। সেই নিৰ্বাচনত ময়ো এটা বিভাগত প্ৰতিদ্বন্দ্বিতা কৰিছিলো, শেষত জয়ীও হৈছিলো। জয়ী হৈ ছাত্ৰ একতা সভাৰ লগত কেনেকৈ কলেজৰ প্ৰতিটো কামত জড়িত হৈ পৰিছিলো গমকেই নাপালো।

সেই বছৰৰ কলেজৰ প্ৰত্যেকটো উৎসৱ, মিটিং আৰু শেষত সৰস্বতী পূজাত কলেজৰ হৈ পূজা কৰিবলৈ সুযোগ পাইছিলো। সেইটো আছিল মোৰ জীৱনৰ এটা বহুত ভাল লগা অভিজ্ঞতা, যাক ভাষাৰে বুজাব নোৱাৰি। স্নাতক তৃতীয় বৰ্ষতো পূজা কৰিবলৈ প্ৰস্তাৱ পাইছিলো আৰু গ্ৰহণ কৰিছিলো।

এনেকৈয়ে প্ৰথম খোজটো দিয়াৰ পিছত কেনেকৈ ৬ টা বছৰ পাৰ হৈ গ'ল গমেই নাপালো। যেন এটা ৰাতিৰ টোপনিহে, যত অজস্ৰ সপোন দেখিছিলো আৰু পুৰা সেইবোৰ ৰোমন্থন কৰি আছো। কিমান যে ফুৰ্তি, হাঁহি-ধেমালি, কিমান ছোৱালী জোকাইছো, কিমানৰ গালি খাইছো হিচাপ দিব নোৱাৰি। কিমান যে ছোৱালীৰ প্ৰেমত পৰিছো, তথাপি কিন্তু সেই হাইস্কুলৰ তাইজনীক কেতিয়াও পাহৰিব নোৱাৰো। হয়তো তাইওঁ ডিগ্ৰী পাছ কৰি বিয়া হোৱাৰ কথা ভাবিছে। আজিও তাইৰ বাবে ৰাতি উজাগৰে কটাওঁ। সেই হাঁহি-ধেমালিবোৰ এতিয়া যেন স্মৃতিৰ বাকচত, যাক আৰু বঢ়াব নোৱাৰিম। মাত্ৰ মাজে মাজে খুলি চাবহে পাৰিম।

আজি মোৰ লগতে কিমানে যে কলেজ এৰিছে স্মৃতিৰ টোপোলাটো লৈ, কাইলৈও বহুতে এৰিব এবুকু স্মৃতি লৈ, য'ত থাকিব বহুত তিতা-মিঠা কাহিনী, আৰু এই মৰমৰ কলেজখন হৈ ৰ'ব মথো স্মৃতি আৰু স্মৃতি যুগ যুগান্তৰলৈ... ।♥

# শেহতীয়াকৈ পঢ়া গ্ৰন্থৰ উপলব্ধি

মনামী ডেকা

অতীতৰ শংকৰদেৱৰ পৰা আৰম্ভ কৰি আজিৰ নীলিম কুমাৰলৈ অসমীয়া সাহিত্যৰ ধাৰা নিৰৱচ্ছিন্ন ভাৱে বৈ আছে। অসমৰ সাহিত্য জগতত বৰ্তমান বহুতো প্ৰতিভাৱান লিখক-কবিৰ জন্ম হৈছে। ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী, চন্দনা গোস্বামী, পূৰৱী বৰমুদৈ, বন্দিতা ফুকন, মাইনী মহন্ত, যুগল লোচন দাস, সমীৰ তাঁতী, প্ৰণৱ কুমাৰ বৰ্মন, হিমাংশু প্ৰসাদ দাস, শোভেন হাজৰিকা, নীলিম কুমাৰ ইত্যাদি বৰ্তমান সাহিত্যজগতৰ প্ৰখ্যাত গল্পকাৰ, উপন্যাসিক আৰু কবি। মোৰ হবিৰ ভিতৰত উপন্যাস পঢ়াটোও সাঙোৰ খাই পৰে। "ইয়াৰুঈঙ্গম" আছিল মোৰ দ্বাৰা অধ্যয়ন হোৱা প্ৰথমখন উপন্যাস। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত এই উপন্যাসখনে মোৰ মনত উপন্যাস পঢ়াৰ স্পৃহা গঢ়ি তুলিছিল। মোৰ প্ৰিয় সাহিত্যিকৰ ভিতৰত অনুৰাধা শৰ্মা পূজাৰী অন্যতম। তেখেতৰ দ্বাৰা ৰচিত "নাহৰৰ নিৰিবিলি ছাঁ", "কাঞ্চন", "মেৰেং", "অট' গ্ৰাফ", "চাহেব পুৱাৰ বৰষুণ", "হৃদয় এক বিজ্ঞাপন", "মন প্ৰজাপতি", "সোণ হৰিণৰ চেকুঁৰ", "কেথেৰিনৰ সৈতে এটি নিৰ্জন দুপৰীয়া" এই গ্ৰন্থকেইখন পঢ়িছোঁ। তেখেতৰ শেহতীয়া গ্ৰন্থ আছিল "মন প্ৰজাপতি"। আধুনিক জীৱনত ব্যস্ত হৈ পৰা, যান্ত্ৰিকতাৰ লগত সাঙোৰ খাই পৰা মানৱ জীৱনৰ ওপৰত লিখা মনোগ্ৰাহী উপন্যাস। বহুজাতিক কোম্পানীৰ চাকৰিয়াল, বিষয়া-আমোলাই সময় নাপায় নিজৰ পৰিয়ালৰ লগত সময় কটাবৰ বাবে, এয়াই উপন্যাসৰ মূল কাহিনী। "মন প্ৰজাপতি"ৰ প্ৰকাশৰ এবছৰৰ আগতে ২০১২ চনত প্ৰকাশিত তেখেতৰ উপন্যাসখন আছিল "সোণ হৰিণৰ চেকুঁৰ"। সহজ অথচ অত্যন্ত অৰ্থপূৰ্ণ শিৰোনাম, নিপোটল কাহিনী, মননশীল উপস্থাপনে উপন্যাসখন সোণত সুৱগা চৰাইছে।

এই উপন্যাসখনৰ জন্ম হৈছিল "সম্ভাৰ" আলোচনী যোগেৰে। একবিংশ শতিকাৰ প্ৰতিগৰাকী নৱপ্ৰজন্ম প্ৰতিযোগিতাত নামি পৰিছে। নম্বৰৰ প্ৰতিযোগিতা, অৰ্থ উপাৰ্জনৰ প্ৰতিযোগিতা, পাৰ্থিৱ সম্পদ আহৰণৰ প্ৰতিযোগিতাত নামি পৰিছে আজিৰ প্ৰজন্ম। যান্ত্ৰিক যুগত যন্ত্ৰ হৈ পৰিছে যুৱ প্ৰজন্ম। যদিও এই যুৱক-যুৱতীসকল যান্ত্ৰিক যুগৰ বাসিন্দা; তথাপিও এওঁলোকে সপোন দেখে প্ৰকৃতিৰ মাজত জীয়াই থকাৰ, যৌৱনৰ সৰল কোমল অনুভূতিৰ সোৱাদ লোৱাৰ। কিন্তু আজিৰ পৰিয়াল আৰু সমাজে এই অনুভূতিক বাঢ়িবলৈ নিদি কলিতে মোহাৰি পেলায়। যাৰ ফলত নিঃসংগ হৈ পৰিছে যুৱ সমাজ। তাৰ ওপৰতেই ভিত্তি কৰি লিখা এই উপন্যাসে মন চুই গৈছে সকলোৰে।

প্ৰণৱ কুমাৰ বৰ্মনৰ "চুইচাইড নোট" নামৰ কবিতাৰে আৰম্ভণি হৈছে এই উপন্যাসখনৰ। মোৰ দৰে দৰিদ্ৰ নিম্নবয়সীয়া পাঠক এজনে এই উপন্যাসৰ আলোচনা দাঙি ধৰিব নোৱাৰোঁ; সেয়া মোৰ বাবে পৰম ধৃষ্টতা। মাত্ৰ মোৰ অনুভূতিহে ব্যক্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

শেখৰ, প্ৰণামী, শিৱানী, মৈত্ৰী, বিদিশা, কিশলয়, শশাংক, এমিলি, আব্বাছ আদি চৰিত্ৰৰ সমাহাৰেৰে মণ্ডিত হোৱা উপন্যাসত পৰিস্ফুট হৈ উঠিছে গুৱাহাটীৰ কলেজ, হোষ্টেলৰ দৃশ্যপট। কিছু শিকিম বুলি পঢ়া আৰু প্ৰতিযোগিতাৰ অৰ্থত পঢ়া দুটা বেলেগ দিশ। শেখৰে শিকিম বুলি পঢ়িছিল, সেইবাবে সি মেধাৱী হোৱা সত্বেও পঢ়া, ভাল ফলাফলৰ প্ৰতিযোগিতাত নামি পৰা নাছিল। আনহাতে, মেধাৱী প্ৰণামীয়ে পৃথিৱীখনক নিজৰ বেগটোৰ ভিতৰত ৰাখিব খোজে। মাত্ৰ বৰদেউতাকৰ ছোৱালীতকৈ ডাঙৰ চাকৰি কৰিবৰ বাবে, ভাল ফলাফল

পাবৰ বাবে প্ৰতিযোগিতাত নামি পৰিছিল তাই। একমাত্ৰ নিজৰ পিতৃ-মাতৃৰ মনোকামনা পূৰণ কৰিবলৈ ওলাই আহি নিজৰ সপোনবোৰক পাহৰি পেলোৱা যুৱক-যুৱতীৰ অন্তিম আশ্ৰয় কি হ'ব পাৰে (যেতিয়াই সেই মনোকামনা পূৰণ কৰিব নোৱাৰাৰ বাবে ককৰ্থনা শুনিব লগা হয়।) "আত্মহত্যা"। প্ৰিন্সিপাল দেউতাকৰ সন্মান অক্ষুন্ন ৰাখিবলৈ শিৱানীক তাইৰ মাক-দেউতাকে ভাল ৰিজাল্ট কৰাৰ বাবে জোৰ দিছিল। কিন্তু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত আশী শতাংশ নম্বৰ নোপোৱা বাবেই জীৱনৰ পৰম সুখ "প্ৰেম" থাকিও তাই ৰেলৰ আগত পৰি আত্মহত্যা কৰিছিল। শিৱানীৰ মৃত্যুত সম্পূৰ্ণৰূপে ভাঙি পৰা তাইৰ প্ৰিয় বান্ধৱী মিত্ৰাই প্ৰচণ্ড খঙত শিৱানীৰ মাক-দেউতাকক কৈ উঠা কথাষাৰে প্ৰমাণ কৰে যে মানসিক তিক্ততাই জীৱন ৰসহীন কৰি তোলে। তাই কৈছিল "আপোনালোকে আপোনালোকৰ সন্তানক মানসিক অত্যাচাৰ কৰি হত্যা কৰিলে, এতিয়া কান্দি কি লাভ?"

পৰীক্ষাবোৰ জীৱনৰ যে চূড়ান্ত প্ৰত্যাহ্বান নহয়, এয়া লেখিকাই সিদ্ধাৰ্থ, শিৱানীৰ প্ৰেমিকৰ মুখেৰে উল্লেখ কৰিছে। দুখত জৰ্জৰিত হৈ পৰা শিৱানীৰ প্ৰেমিক সিদ্ধাৰ্থই ভাৱিছিল, "শিৱানী বিহীন এই সমাজৰ কৰো ক্ষতি নহ'ল, শিৱানীয়ে মৃত্যুৰে দেখুওৱা প্ৰতিবাদ, খং, অভিমানে কাকো স্পৰ্শ নকৰিলে, কোনেও এবাৰো নক'লে এই পৰীক্ষাবোৰ, নম্বৰ প্ৰতিযোগিতাবোৰ কৃত্ৰিম জীৱনত ঠগোৱা এক ৰঙীন ছদ্মা।" কেতিয়াবা মৃত্যুও চাগে হ'ব পাৰে তিক্তময় জীৱনৰ শেষ আশ্ৰয়।

কলেজ কাৰোবাৰ বাবে জীৱনটো ভাল কৰাৰ সুবিধা, আন কাৰোবাৰ বাবে জীৱনটোক ধ্বংস কৰাৰ সুবিধা। কলেজত পৰিস্ফুট হৈ উঠে এটা সাধাৰণ শব্দ "লোকেল"। স্থায়ী ছাত্ৰবোৰে অন্য ঠাইৰ পৰা অহা ছাত্ৰবোৰৰ ওপৰত চলোৱা অত্যাচাৰ গুৱাহাটীৰ আলি-গলিয়ে শুনিবলৈ পোৱা যায়। তাৰেই এক উৎকৃষ্ট উদাহৰণ ৰঞ্জন, নবাব আৰু দিগ্বিজয়। কিশলয় নামৰ শান্ত-শিষ্ট ল'ৰাটোক কৰা অপমান, দাদাগিৰি আদি সিহঁতৰ মুখেৰে লেখিকাই দাঙি ধৰিছে। কিন্তু কিশলয়ে কিবা এটা কোৱাৰ লগে লগে, প্ৰত্যুত্তৰ দিয়াৰ লগে লগে শকত-আৱত কঠিন হাতৰ প্ৰচণ্ড ঘোচা আহি তাৰ মুখত পৰিছিল। মদ, চিগাৰেট, ড্ৰাগছ আদি কলেজত জীৱন ধ্বংস কৰাৰ অতি সহজ উপায়। প্ৰসেন নামৰ ড্ৰাগছ আসক্ত ল'ৰা জনক শেখৰ আৰু ৰাজেশে অভিভাৱকৰ দৰে শাসন কৰি, বুজাই ভাল পথলৈ ঘূৰাই আনিছিল। ভাল বন্ধু সদায় অভিভাৱকসম হয়। অচিনাকী ঠাইতো এই বন্ধুৱেই কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাহস দিয়ে।

আজিৰ প্ৰজন্মই অতীত নাচায়, তেওঁলোকে পিছলৈ ঘূৰি চাব নাজানে। বৰ্তমানত যান্ত্ৰিকতাৰ পৃথিৱীত বসবাস কৰা তেওঁলোকে মাত্ৰ ভৱিষ্যতৰ পিছে-পিছে দৌৰে। কিন্তু অতীতেই জানো আমাৰ ভৱিষ্যৎ আৰু বৰ্তমান নিৰূপন নকৰে? এই অতীতক পাহৰি যোৱাটো চৰম অন্যায় নহয়নে? চাৰিপুৰুষে কাম কৰা অসমৰ সৌন্দৰ্য্য চাবলৈ, গৌহাটী স্কুলৰ বিষয়ে জানিবলৈ, অতীতক বিচাৰি একমাত্ৰ এখন ডায়েৰীকে সাৰথি কৰি সুদূৰ ইংলেণ্ডৰ পৰা অহা এমিলি নামৰ যুৱতীগৰাকীয়ে অতীতক সন্মান কৰিব জানিছিল। উপন্যাসখনৰ এটি অতি সুন্দৰ চৰিত্ৰ এমিলি। অসমৰ বৰ্তমান পৰিস্থিতিত এগৰাকী বিদেশীৰ মনোভাৱ কেনেকুৱা হ'ব পাৰে, তাক লেখিকাই সুন্দৰ ৰূপত উপস্থাপন কৰিছে। এমিলিয়ে শেখৰক কৈছিল- "তেন্তে ইয়াত ইমান গোষ্ঠী সংঘৰ্ষ কিয়? মই ইয়ালৈ আহি যি জানিছো, ইয়াত বিভিন্ন জাতি-উপজাতিৰ মাজত ৰাজনৈতিকভাৱে, সামাজিকভাৱে ভীষণ কাজিয়া। সন্ত্ৰাসবাদী হ'বলৈ এই কাজিয়াবোৰেই যথেষ্ট। একেখন দেশতে থাকি ইমান মতভেদ, উন্নয়নমূলক কাম ক'ৰ পৰা হ'ব? মই মোৰ আজোৰ আজোককাৰ ডায়েৰি পঢ়ি 'স্বৰ্গৰ দুৱাৰমুখ' চাবলৈ দৌৰি আহিছো। মই সেই ডায়েৰীত বৰ্ণনা কৰা নীলা, সেউজ পাহাৰবোৰ বিচাৰিছোঁ, কোমল ঘাঁহৰ দলিচাৰ দৰে ল'ৰা-ছোৱালীয়ে খেলা পথাৰ, নিৰ্মল ব্ৰহ্মপুত্ৰ নদীঘাট আৰু সমগ্ৰ চহৰখনৰ পাহাৰে-পাহাৰে য'তে-ত'তে দেখা পোৱা স্ফটিকৰ জান-জুৰিবোৰ বিচাৰিছোঁ। সৰল-সহজ, প্ৰকৃতিৰ দৰে উদাৰ মানুহবোৰ বিচাৰিছো। এমিলিয়ে শেখৰৰ সহযোগত "গৌহাটী স্কুল"ৰ বিষয়ে জানিছিল। অসমৰ ঐতিহাসিক ঠাইবোৰ, যিবোৰ শেখৰে দেখুৱাব পাৰিছিল, সেইবোৰ উপভোগ কৰি সন্তুষ্টিৰে উভতি গৈছিল।

জীৱনত স্বচক্ষে দেখা পোৱা আটাইবোৰ কথা সচাঁ নহবও পাৰে। কিন্তু, যৌৱনৰ সময়ছোৱাত ভুলেই শুদ্ধ, শুদ্ধই ভুল হৈ পৰে। বিদিশা এজন যুৱ ব্যৱসায়ীৰ প্ৰেমত পৰা এগৰাকী কলেজীয়া

ছোৱালী। অথচ যুৱ ব্যৱসায়ীগৰাকীয়ে তাইক চূড়ান্ত অপব্যৱহাৰ কৰি গুচি গৈছিল। তাইৰ জীৱনটোক কলিতে মোহাৰি পেলোৱাৰ লগে লগে তাই পৃথিৱীৰ সমস্ত পুৰুষৰ ওপৰত প্ৰতিশোধপৰায়ণ হৈ উঠিছিল। লাহে লাহে বেয়া ছোৱালীৰ শাৰীলৈ নামি গৈছিল বিদিশা। একমাত্ৰ তাই থকা হোষ্টেলৰ ৱাৰ্ডেন আৰু প্ৰিয় বান্ধৱী মৈত্ৰীয়ে তাইক বুজাই ভাল পথলৈ আনিছিল। জীৱনলৈ অহা কিছুমান ধুমুহাইও যে মানুহক মানসিকভাৱে ভাৰসাম্যহীন কৰি তোলে, বিদিশা তাৰ সুন্দৰ উদাহৰণ। জীৱনৰ কিছুমান সিদ্ধান্ত মুহূৰ্তৰ ভিতৰতে লৈ পেলোৱাটোৱে ভৱিষ্যতত আমাৰ জীৱন বিপদাপন্ন কৰে। মৈত্ৰীৰ আন এগৰাকী বান্ধৱী আল্পনা, যিয়ে সহজ-সৰল দেউতাকৰ শিক্ষক বৃত্তিকে সাৰোগত কৰিম বুলি ভাবিছিল, এটা টিভি চেনেলে নৱাগত আদৰণি সভাত আহি তাইক তাইৰ শৰীৰটো মডেলিঙৰ বাবে উপযুক্ত বুলি কোৱাত তাই বিকি নামৰ অত্যাধুনিক, অচিনাকী ল'ৰা এজনৰ লগত গুচি গৈছিল।

আজিকালি সমাজত যেন মৃত্যু এটা সাধাৰণ কথা। কলেজীয়া ল'ৰা-আব্বাছক অচিনাকী দুৰ্বৃত্তই মুছলিম সংগঠনৰ হৈ কাম নকৰা বাবে গুলিয়াই হত্যা কৰিছিল। প্ৰথম কেইদিনমান ইয়াৰ বাবে আন্দোলন বাতৰিয়ে বাতৰিয়ে, নিউজ চেনেলবোৰে বঢ়াই-বঢ়াই কৈ থাকে। অৱশেষত, পুলিচ থানাত পেলনীয়া পুৰণি ফাইলৰ মাজত আবদ্ধ হৈ ৰয় সকলো। নিউজ চেনেলবোৰে ঘটনাক মাল্টিপ্লাই কৰি কৈ থাকিলে দূৰত থকা ঘৰৰ মানুহবোৰলৈ চিন্তাৰ শেষ নোহোৱা হয়। আব্বাছৰ মৃত্যুৰ পিছত হোষ্টেলৰ, কলেজৰ সকলো ল'ৰালৈ ঘৰৰ পৰা বাৰম্বাৰ ফোন অহাটো ইয়াৰ প্ৰত্যক্ষ উদাহৰণ। নিউজ চেনেলৰ কৰ্ম-কাণ্ডত অতিষ্ঠ হৈ শেখৰে কৈ উঠিছিল-"যদি এই উগ্ৰপন্থী, হত্যা -বিভীষিকাবোৰ সংবাদ মাধ্যমে লিখা বা দেখুওৱা বন্ধ কৰি দিলেহেঁতেন, বহুত শান্তি ঘূৰি আহিলহেঁতেন। ভয়ানক ঘটনা এটাক "মাল্টিপ্লাই" কৰি কৈ থকাটোও জানো অপৰাধ নহয়। ডে' ডন্ট ছেভ এনি ৰাইট টু ক্ৰিয়েট পেনিক... ইয়াৰ পৰা কি হৈছে?"

অতীতত কৰি অহা কিছুমান চূড়ান্ত ভুলে আমাৰ ভৱিষ্যতটোত যে প্ৰভাৱ নেপেলাব তাৰ কিবা অৰ্থ আছেনে? ৱাৰ্ডেন জয়িতা শইকীয়াৰ একমাত্ৰ (অবৈধ) ছোৱালী চন্দ্ৰিমা আৰু চন্দ্ৰিমাই ভাল পোৱা ল'ৰাজন একেজন মানুহৰে সন্তান। যেতিয়াই চন্দ্ৰিমাই এই কথাটো গম পাইছিল, সম্পূৰ্ণৰূপে উদ্‌ভ্ৰান্ত হৈ পৰিছিল তাই। মদ আৰু অৱশেষত মৃত্যু এয়া হৈ পৰিছিল তাইৰ চূড়ান্ত আশ্ৰয়। জয়িতা শইকীয়াৰ জীয়াই থকাৰ একমাত্ৰ মোহটোও ভংগ হৈ গৈছিল।

বৰ্তমান সময়ৰ প্ৰজন্মৰ এৰাব নোৱাৰা অংগ ফেচবুক, ইণ্টাৰনেট, টুইটাৰ ইত্যাদি এইবোৰে মানুহৰ বাবে কেতিয়াবা ভাল হৈ পৰে আৰু কেতিয়াবা চৰম সৰ্বনাশক। শেখৰে ফেচবুকৰ জৰিয়তেই বাৰ্তালাপ কৰিব পাৰিছিল ইংলেণ্ডৰ এমিলিৰ সৈতে। এমিলিৰ মাজেৰে লেখিকাই ব্ৰিটিছৰ প্ৰতি থকা আমাৰ বিতৃষ্ণা ভংগ কৰাৰ প্ৰয়াস কৰিছে লগতে সপোনক আগস্থানত ৰখা এগৰাকী যুৱতীৰ (পিছলৈ অৱশ্যে তাই বিবাহিত হৈ পৰিছিল) চৰিত্ৰ ফুটাই তুলিছে। শেখৰে প্ৰণামীক নোকোৱাকৈ এখন কলবাৰী পতাৰ সপোন দেখিছিল। কাৰণ, সি জানিছিল টকা পইচাক সৰ্বস্ব বুলি ভবা প্ৰণামীয়ে তাৰ এই চিন্তা ধাৰাক উপলুঙা কৰিব। সি এমিলিক কৈছিল। উৎফুল্লিত হৈ পৰা এমিলিয়ে শেখৰক উৎসাহিত কৰিবলৈ কৈছিল- "তোমাৰ মনত মই বিৰাট কলবাৰীখন দেখি আছোঁ, কি ডাঙৰ সেউজীয়া পাত, পূৰঠ কলবোৰ! পৃথিৱীৰ আদিম গছবোৰৰ ভিতৰত কলো আছে, জানা নহয়। সেয়ে Kick the world and break your foot, ভৰিখন যদি ভাঙেও, পৃথিৱী নামৰ গোলকটোক ছুটিয়াই ভাঙা।" প্ৰতিযোগিতাৰ দৌৰত চামিল নোহোৱা শেখৰে জীৱনত কল খেতি কৰি অৰ্থ আহৰণৰ মন মেলিছিল। সুন্দৰ আছিল শেখৰৰ চিন্তা-ধাৰা।

শেখৰৰ ফেয়াৰৱেলত দিয়া ভাষণৰ দ্বাৰা লেখিকাই নৱপ্ৰজন্মৰ সুন্দৰ কথনশীলতাৰ স্পষ্ট প্ৰতিফলন ঘটাইছে। অনুৰাধা শৰ্মা পূজাৰীয়ে অতি সুন্দৰকৈ উপন্যাসখনত নৱ প্ৰজন্মৰ প্ৰতিটো স্তৰৰ ল'ৰা-ছোৱালীৰ মনোভাৱ ব্যক্ত কৰিছে।

আমিও এই প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰী। জীৱন-যৌৱন, কৈশোৰ সকলোকে কাটি কৰি থৈ আমি মাথোঁ দৌৰিছোঁ। এই দৌৰত সকলোৱে সফল নহয়। কেৱল অৰ্থ উপাৰ্জন, সন্মান আহৰণ এয়াই নেকি জীৱনৰ প্ৰকৃত অৰ্থ। এইবোৰ বিচাৰোঁতে বিচাৰোঁতে আমি বাৰু

প্ৰকৃততে হেৰাই গৈছো নেকি ক'ৰবাত? অসীম প্ৰশ্ন অথচ উত্তৰ নাই। এবাৰ আকৌ আমাৰ বিবেকক সুধি চাওঁ আহক আমি কি বিচাৰোঁ, সিদ্ধান্ত আমাৰ হাতত।

উপন্যাসৰ প্ৰতিটো চৰিত্ৰ একো একোটা সাধাৰণ উদাহৰণ। আমাৰ মাজত কেইজন শেখৰ আছে বাৰু তাৰ নিচিনা মনোভাৱ কাৰ আছে? আমাৰ সপোনবোৰত আমাৰ অধিকাৰ আছে, ইয়াক কোনেও খৰ্ব কৰিব নোৱাৰে। পৰীক্ষাৰ নম্বৰ, ৰিজাল্ট আমাৰ যোগ্যতাৰ মাপকাঠী নহয়। আমি নিজেই নিজৰ প্ৰেমিক হ'ব লাগিব, তেতিয়াহে সপোন দেখিব পাৰিম, সফল হ'ব পাৰিম। তলত প্ৰণৱ কুমাৰ বৰ্মনৰ "চুইচাইড নোট"ৰ কেইটামান শাৰী উদ্ধৃত কৰা হ'ল-

"আৰু নহয় পাপা
তোমালোকৰ সপোনৰ উচ্চতাৰ পৰা সৰি পৰিব নোখোজো
তোমাৰ ইচ্ছাবোৰৰ উচ্চতাৰ পৰা তললৈ
নামি যাব নোখোজো মা
মোক ক্ষমা কৰিবা
এই পৃথিৱীৰ বাবে মই লায়কৰ নাছিলো
এটুকুৰা কাঠ, এটা শিল
পাপা,
মা,
এতিয়া মই যি উচ্চতাত ওলমি থাকিম
নিথৰ হৈ
তাৰ পৰা মোক নমাই নিনিবা
মই তোমালোকৰ সপোনৰ সমান ওখ হ'ব খোজো।" ♥

# Thinking Day

জুনুমনি বড়ো
*স্নাতক পঞ্চম ষান্মাসিক*

স্কাউট গাইডৰ জন্মদাতা আছিল লৰ্ড বেডেন পাৱেল। ১৮৫৭ চনৰ ২২ ফেব্ৰুৱাৰীত লণ্ডন চহৰৰ লান কাষ্টাৰ গে'ট নামৰ ঠাইত বেডেন পাৱেলৰ জন্ম হৈছিল। উল্লেখ্য যে বেডেন পাৱেলৰ জন্মৰ থিক ৩২ বছৰৰ পিছত ঐতিহাসিক ২২ ফেব্ৰুৱাৰীতে লেডী বেডেন পাৱেলৰ জন্ম হৈছিল, যিয়ে গাইড আন্দোলন আগবাঢ়ি যোৱাত সহায় কৰিছিল।

দুয়ো গৰাকী স্ৰষ্টাৰ জন্মদিনটো দুয়োগৰাকীৰ প্ৰতি সন্মান জনাই "২২ ফেব্ৰুৱাৰী" দিনটো সমগ্ৰ বিশ্বতে "Thinking Day" হিচাপে পালন কৰা হয়।

<u>Full Froms of Scout and Guide.</u>

| Scout | Guide |
|---|---|
| S- Sincerity. | G- Goodness |
| C- Counteous. | U- Unity |
| O- Obedient. | I- Intregaty |
| U- Unity | D- Demotion |
| T- Truthfulness. | E-Earnestness. |

# নৱাগত আদৰণি সভাৰ প্ৰাচীৰ পত্ৰিকা আৰু মোৰ অনুভৱ

ধৃতিময় দাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

সাহিত্য জাতিৰ দাপোন। সাহিত্যৰ মাজেৰেই প্ৰতিফলিত হয় সমাজৰ প্ৰতিটো দিশ। সাহিত্যই এটা জাতিক একতাৰ দোলেৰে বান্ধি ৰাখে। সাহিত্যই এটা জাতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ বাবে আগুৱাই নিয়ে। ব্যক্তিৰ সাহিত্য সৃষ্টিৰ চেতনা জাগ্ৰত হয় ছাত্ৰাৱস্থাতেই। বিদ্যালয়, মহাবিদ্যালয়সমূহে ছাত্ৰ-ছাত্ৰীৰ এই সৃষ্টিশীলতাৰ বিকাশৰ বাবে বাৰ্ষিক আলোচনী, প্ৰাচীৰ পত্ৰিকা আদি প্ৰকাশ কৰে।

এটা জাতিৰ চিনাকি দিব পৰা সাহিত্যক ছাত্ৰ-ছাত্ৰীসকলৰ মাজলৈ লৈ আহিবলৈ, ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক প্ৰতিভাক বিকশিত কৰিবলৈ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা প্ৰচেষ্টা চলাই আহিছে বুলি মহাবিদ্যালয়খনত নামভৰ্তি কৰাৰ আগৰে পৰা শুনি আহিছো। এই উদ্দেশ্যৰেই জৱাহৰলাল নেহৰু মহাবিদ্যালয়খনৰ নৱাগত আদৰণি সভাত প্ৰতিবছৰে অনুষ্ঠিত হয় এখনি 'প্ৰাচীৰ পত্ৰিকা'ৰ প্ৰতিযোগিতা, য'ত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে নিজা প্ৰচেষ্টাৰে নিজৰ নিজৰ বিভাগৰ পৰা এখনকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰে আৰু প্ৰতিযোগিতাত যোগদান কৰে। নৱাগত আদৰণি সভাত প্ৰকাশ পোৱা প্ৰাচীৰ পত্ৰিকাসমূহৰ বিষয়ে তলত আভাস দিয়া হ'ল—

* **EVOLUTION** — নৱাগত আদৰণি সভাৰ প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতাৰ এইবাৰ সৰ্বশ্ৰেষ্ঠ হিচাপে পৰিগণিত হয় নৃ-তত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সজাই-পৰাই উলিয়াই অনা প্ৰাচীৰ পত্ৰিকা EVOLUTIONএ। সুন্দৰ বেতুপাতৰ লগতে আকৰ্ষণীয় অলংকৰণে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান অসমৰ এটি গুৰুত্বপূৰ্ণ সমস্যা গড় হত্যাক এক সুকীয়া ৰূপত নন্দিতা দাসে পত্ৰিকাখনিত উপস্থাপন কৰিছে।

* **CHORUS** — নৱাগত আদৰণি সভাত প্ৰকাশ পোৱা আন এখন বিতোপন প্ৰাচীৰ পত্ৰিকা হ'ল ইংৰাজী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা CHORUS। বিষয়বস্তুসমূহৰ লগত সংগতি ৰাখি অংকণ কৰা চিত্ৰসমূহে ইয়াৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে।

Creator oh creator
Maker of the universe
The plantes the moon
And the stars
Out of Nothing
You made everything.

* **LYCEUM**— মৃদুস্মিতা ভট্টাচাৰ্য্যৰ সম্পাদনা আৰু পুলক ৰাভা আৰু প্ৰাণজিৎ ৰাভাৰ অলংকৰণে ৰাজনীতি বিভাগৰ প্ৰাচীৰ পত্ৰিকা LYCEUMক অন্য এক প্ৰচেষ্টাৰে আগবঢ়াই নিছে। লিম্নয় তামুলীৰ 'বন্ধৰ প্ৰক্ৰিয়া আৰু জনসাধাৰণৰ শ্ৰম' পত্ৰিকাখনিত এটি গুৰুত্বপূৰ্ণ বিষয় হিচাপে দাঙি ধৰা হৈছে। মৃদুস্মিতা ভট্টাচাৰ্য্যৰ স্বাধীনতাৰ পতাকাক অভিশাপ দি তাই গুছি গ'ল, ভূপালী পাটোৱাৰীৰ 'বৰষুণ' আদি কবিতাই পত্ৰিকাখনৰ জেউতি চৰাইছে-

তুমি মাথো এবাৰ ভাল পাই চোৱা
তুমি ভাল পালে আকাশত
দীপাৱলী হ'ব।
এযোৰ হালধীয়া চৰায়ে সেউজীয়াৰ বুকুত
প্ৰেমৰ গীত গাব,
তোমাৰনো কি ক্ষতি হ'ব।

(বৰষুণ- ভূপালী পাটোৱাৰী)

* **ECHO**— জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আন এখন প্ৰাচীৰ পত্ৰিকা হ'ল শিক্ষা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে সম্পাদনা কৰি উলিওৱা ECHO। প্ৰাচীৰ পত্ৰিকাখনৰ শোভা বৃদ্ধি কৰা লেখনিসমূহ হ'ল- পৰীস্মিতা দাসৰ এক মিনিটৰ গল্প 'প্ৰশ্ন', পাপৰি নাথৰ কবিতা 'ৰক্তাক্ত গুৱাহাটী', বৰ্ণালী দেৱীৰ প্ৰবন্ধ 'জনসংখ্যা বিস্ফোৰণ ঃ বৰ্তমান বিশ্বৰ আটাইতকৈ ভয়াবহ সমস্যা' আদি। প্ৰাচীৰ পত্ৰিকাখনিত অলংকৰণৰ কিছু অভাৱ ঘটা যেন অনুভৱ হয়।

* **BODHIDRUM**— উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনিৰ নাম হ'ল BODHIDRUM। বিভিন্ন উদ্ভিদৰ উপকাৰীতা, ঔষধি গুণ আদিৰ লগতে উদ্ভিদ বিজ্ঞানৰ লগত জড়িত বিভিন্ন বিষয়ৰ উপস্থাপনেৰে উদ্ভিদ বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাচীৰ পত্ৰিকাখন সুন্দৰকৈ সজাই তুলিছে।

* **PHYSICA**— পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা উচ্চ মানদণ্ডৰ হোৱা বুলি ক'ব পাৰি। সুন্দৰ লেখনি আৰু অলংকৰণেৰে এই প্ৰাচীৰ পত্ৰিকাখনেও প্ৰতিযোগিতাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

* **WALFER**— অৰ্থনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমবাৰৰ বাবে অশেষ উৎসাহ আৰু উদ্যমেৰে প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা হ'ল WALFER। অৰ্থনীতিৰ লগত জড়িত বিভিন্ন লেখনিয়ে প্ৰাচীৰ পত্ৰিকাখনক সমৃদ্ধ কৰিছে।

* **MIRROR**— জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ গাইডৰ ছাত্ৰীসকলে সুন্দৰভাৱে প্ৰস্তুত কৰি উলিয়াইছে প্ৰাচীৰ পত্ৰিকা MIRROR। পল্লৱী ৰাভাই সম্পাদনা কৰা প্ৰাচীৰ পত্ৰিকাখন জ্ঞানৰ বিস্তাৰ তথা সমাজৰ উন্নয়নৰ বাবে সময়োপযোগী বিভিন্ন লেখনিৰে সজাই তোলা হৈছে। অজন্তা ৰাভাৰ 'সুস্থ সমাজ গঢ়ো আহক', শিল্পীশিখা ৰাভাৰ 'গ্ৰন্থমেলা আৰু বৌদ্ধিক বিকাশ' আদি লেখনিসমূহে প্ৰাচীৰ পত্ৰিকাখনৰ মানদণ্ড বৃদ্ধি কৰিছে।

"মোৰো যে আছিল সপোন
তোমাৰে সক্ষাৎ হোৱাৰ
হেঁপাহ আছিল বহুতৰ দৰে
দীক্ষিত হ'ম তোমাৰ স্নেহেৰে
সাধনাৰে আশিস লভি
জীৱন জিলিকাম
দীপ্তিমান জৱাহৰলাল নেহৰু মহাবিদ্যালয়
বিমুগ্ধ মই...."

(জৱাহৰলাল নেহৰু মহাবিদ্যালয়- পুষ্পাঞ্জলী ৰাভা)

* **প্ৰমিতি** - গণিত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অতি সুন্দৰভাৱে প্ৰস্তুত কৰিছে গণিত বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰমিতি'। প্ৰাচীৰ পত্ৰিকাখনত শূন্যৰ (Zeri babu) শৈল্পিক উপস্থাপনে অলংকৰণৰ মান বৃদ্ধি কৰিছে।

ওপৰোক্ত প্ৰাচীৰ পত্ৰিকাসমূহৰ উপৰিও জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহক সমৃদ্ধ কৰিছে আন দুখন প্ৰাচীৰ পত্ৰিকাই— 'জৱাহৰজ্যোতি' আৰু 'দোকমোকালি'।

* **জৱাহৰজ্যোতি** - মহাবিদ্যালয়খনৰ আলোচনী সম্পাদিকাৰ নেতৃত্বত বছৰত দুবাৰকৈ (মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভাত) এই প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰা হয়। আলোচনী সম্পাদিকা পৰীস্মিতা দাস, সহঃ সম্পাদক ৰাজু বৰ্মনৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অতি মনোমোহাকৈ এই প্ৰাচীৰ পত্ৰিকাখন প্ৰস্তুত কৰি উলিয়াইছে।

* **দোকমোকালি** - জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বৰ্তমান আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সমন্বয়ত গঢ়ি উঠিছে এটি দল 'সৃষ্টি'। এই দলৰ পৰা প্ৰতিবছৰে নৱাগত আদৰণি সভাত প্ৰকাশ পাই আহিছে এখনি প্ৰাচীৰ পত্ৰিকা 'দোকমোকালি'। এইবাৰ নৱাগত আদৰণি সভাত 'দোকমোকালি'য়ে পাঠকৰ বাবে লৈ আহিছে মাথোঁ কবিতা আৰু কৌতুক। ব্যতিক্ৰমী অলংকৰণে দোকমোকালিৰ সৌষ্ঠৱ বঢ়াইছে। সম্পাদক নিপজ্যোতি বৰ্মনে লিখিছে- "সৃষ্টি সদায় ব্যতিক্ৰম আৰু ই সদায় ব্যতিক্ৰম হৈ থাকি ভালপায়। ইয়াৰ মাজতেই সৃষ্টিৰ জীৱন।"

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ হিচাপে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা আৰু নৱাগত আদৰণি সভাৰ প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ লগত মই নতুনকৈ পৰিচিত হৈছো। এই প্ৰচেষ্টা দেখি মই আপ্লুত হোৱাৰ লগতে মহাবিদ্যালয়ৰ এই পৰিৱেশত অধিক উৎসাহিতবোধ কৰিছো। আশা কৰিছো, মোৰ মৰমৰ মহাবিদ্যালয়খনে যেন চিৰদিন এনেদৰে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতাৰ বিকাশৰ পথত আগুৱাই নিয়ে। ♥